# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ৰাজ্যিক মন্ত্ৰীসভাই নতুনকৈ ১০ খন সমজিলা গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ বকো আৰু পলাশবাৰী, শোণিতপুৰৰ বৰছলা আৰু ৰঙামাৰা, তিনিচুকীয়াৰ মাকুম আৰু ডিগবৈ, যোৰহাটৰ টিয়ক আৰু মৰিয়নি, কাছাৰৰ ধলাই আৰু গোৱালপাৰাৰ দুধনৈ এই সমজিলাকেইখন গঠন কৰা হ'ব। অসম মন্ত্ৰীসভাৰ কালি দিশপুৰত অনুষ্ঠিত বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত নিৰ্মীয়মান অৱস্থাত থকা ৭ খন কৰ্কট ৰোগৰ চিকিৎসালয়ৰ নিৰ্মাণকাৰ্য এইবছৰতে দ্ৰুত গতিত আগবঢ়াই নিয়াৰ বাবে মন্ত্ৰীসভাই আঢ়ৈ শ কোটি টকাৰ অনুমোদন জনাইছে। ইতিমধ্যে এই চিকিৎসালয়কেইখন নিৰ্মাণৰ বাবে ২ হাজাৰ ৫০০ কোটি টকা ব্যয় কৰা হৈছে বুলি তেওঁ কয়।

ইপিনে, ডিব্ৰুগড়, যোৰহাট, বোকাখাট আৰু বজালীত ৰাজ্য চৰকাৰে গঠন কৰা দুগ্ধ উৎপাদন কেন্দ্ৰকেইটাৰ পৰিচালনাৰ দায়িত্ব নৰ্থ ইষ্ট ডেইৰী এণ্ড ফুডছ লিমিটেডক অৰ্পন কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উদ্‌যাপনৰ বছৰযোৰা কাৰ্যসূচীৰ অহা ৮ ছেপ্তেম্বৰত আৰম্ভ কৰাৰ বিষয়েও কালি মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি ৰাজ্য চৰকাৰে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী নিয়াৰিকৈ পালন কৰিবলৈ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এখন ৫০ জনীয়া কমিটি গঠনৰ সিদ্ধান্ত লৈছে। এই অনুষ্ঠানৰ পৃষ্ঠপোষক হিচাপে উত্তৰ পূৰৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। দেশৰ ৰাষ্ট্ৰপতি নাইবা প্ৰধানমন্ত্ৰীৰ উপস্থিতিত শতবৰ্ষ উদ্‌যাপনৰ আৰম্ভণি আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। শতবাৰ্ষিকীৰ কেন্দ্ৰীয় অনুষ্ঠান গুৱাহাটী, নতুন দিল্লী, অৰুণাচল প্ৰদেশ, কলিকতা আৰু মুম্বাইত অনুষ্ঠিত হ'ব। তদুপৰি ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত এটা বিশেষ আন্তগাথনি প্ৰকল্প নাইবা অনুষ্ঠান নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। বিশিষ্ট ঔপন্যাসিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীৰ দ্বাৰা প্ৰনয়ন কৰা শিল্পীগৰাকীৰ চমু জীৱনী ৰাজ্যখনৰ ১০ লাখ ব্যক্তিলৈ প্ৰেৰণ কৰা হ'ব। ভাৰতবৰ্ষৰ সকলো ভাষালৈ এই জীৱনী অনুবাদ কৰি বিভিন্ন পুথিভড়াললৈ প্ৰেৰণৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে শিল্পীগৰাকীৰ নামত স্মাৰক মুদ্ৰা প্ৰৱৰ্তন কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকক অনুৰোধ জনোৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্তত উপনীত হয়। বিশ্ব বৰেণ্য শিল্পীগৰাকীক জীৱন সম্বলিত তথ্য চিত্ৰ অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত প্ৰস্তুত কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কিংবদন্তি শিল্পীগৰাকীৰ সংগীত আৰু কৰ্মজীৱন সম্পৰ্কে শিক্ষানুষ্ঠানসমূহত আলাপ-আলোচনা, চৰ্চাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অনুন্নত ফলাফলৰ বাবে শিক্ষা বিভাগে তিনিচুকীয়া জিলাৰ ২২ খন বিদ্যালয়লৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে। জাননীৰ জৰিয়তে ফলাফল নিম্নগামী হোৱাৰ কাৰণ ৫ দিনৰ ভিতৰত জনাবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। এই জাননীৰ উত্তৰ নিদিলে বিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলি পত্ৰত উল্লেখ কৰা হৈছে।

একেদৰে অনুন্নত ফলাফলৰ বাবে নলবাৰী জিলাৰ তিনিখন বিদ্যালয়লৈও বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়ন্ত ঠাকুৰীয়াই বিভাগীয়ভাৱে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰে। ৭ দিনৰ ভিতৰত বিদ্যালয়ৰ প্ৰধানে এই জাননীৰ উত্তৰ দিব লাগিব। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ফলাফল শূন্য তথা ১০ শতাংশৰ তলত হোৱা বাবে বিদ্যালয়সমূহলৈ এই জাননী প্ৰেৰণ কৰা হৈছে।

০০০০০০

অসম ৰাজ্যিক শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ বাবে নামভৰ্তিৰ নিৰ্দেশনা জাৰি কৰিছে। পৰিষদৰ নিৰ্দেশনা অনুসৰি শিক্ষাৰ্থীসকলে অহা ১৭ এপ্ৰিলৰ পৰা দৰ্পন প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীয়ে ২৪ এপ্ৰিলৰ ভিতৰত প'ৰ্টেলত নামভৰ্তিৰ বাবে আবেদন কৰিব লাগিব লাগিব। শিক্ষানুষ্ঠানসমূহে ২৫ আৰু ২৬ এপ্ৰিলত মেধাৰ তালিকা প্ৰস্তুত কৰি ২৭ এপ্ৰিলত প্ৰকাশ কৰিব। অহা ৩০ এপ্ৰিলৰ পৰা ১০ মে'ৰ ভিতৰত দৰ্পন প'ৰ্টেলত চূড়ান্ত নামভৰ্তিৰ তালিকা প্ৰকাশ পাব। নামভৰ্তি কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে পৰিষদে ১৫ মে' পৰ্যন্ত প'ৰ্টেলটো মুকলি ৰখাৰ ব্যৱস্থা কৰিব। এজন শিক্ষাৰ্থীয়ে সৰ্বাধিক ৫ খন বিদ্যালয়ত আবেদন কৰিব পাৰিব।

০০০০০০

সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ তথা চমুকৈ এ আই চি টি ই-য়ে ২০২৬ চনৰ ডিচেম্বৰৰ ভিতৰত সকলো অভিযান্ত্ৰিক ডিপ্ল'মা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে অসমীয়াকে ধৰি ১২টা ভাৰতীয় ভাষাত পাঠ্যপুথি সুলভ কৰাৰ বাবে অভিলাষী পদক্ষেপ্ৰ গ্ৰহণ কৰিছে। অসমীয়া ভাষাৰ লগতে গুজৰাটী, কানাড়া, হিন্দী, মালায়ালম, মাৰাঠী, ওড়িয়া, পাঞ্জাবী, তামিল, তেলেগু আৰু উৰ্দু ভাষাত পাঠ্যক্ৰমসমূহ উপলব্ধ হ'ব। প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ অভিযান্ত্ৰিক ডিপ্ল'মা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে ইতিমধ্যে ৬০০ খন পাঠ্যক্ৰম প্ৰস্তুত কৰি ১২টা আঞ্চলিক ভাষাত আপল'ড কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ বৰ্ষৰ পাঠ্যপুথিৰ কাম সম্প্ৰতি চলি আছে। এ আই চি টি ই-ৰ আৰ্হিৰ পাঠ্যক্ৰম অনুসৰি প্ৰস্তুত কৰা এই পাঠ্যপুথিসমূহে চিভিল, মেকানিকেল, ইলেকট্ৰনিকছ আৰু কম্পিউটাৰ ছায়েন্স ইঞ্জিনিয়াৰিঙৰ দৰে মূল বিষয়সমূহ সামৰি লৈছে। ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ মাতৃভাষাত বুজিবলৈ সহায় কৰাৰ উদ্দেশ্যেৰে এই পাঠপুথিসমূহ প্ৰস্তুত কৰা হৈছে। এ আই চি টি ই-ৰ অধ্যক্ষ, অধ্যাপক টি জি সীতাৰামে কয়, যে পাঠ্যপুথিসমূহৰ অনুবাদ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰা হৈছে।

০০০০০০

যোৰহাটৰ জিলা আয়ুক্ত আৰু জিলা নিৰ্বাচনী বিষয়াই আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি বেলট পেপাৰ ছপা কৰিবলগীয়া ছপাশাল পৰিদৰ্শন কৰে। জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, তিতাবৰ সম-জিলা আয়ুক্তৰ লগতে সংশ্লিষ্ট বিষয়াসকলো এই পৰিদৰ্শন কালত উপস্থিত থাকিব।

০০০০০০

সমাপ্ত